**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

---

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অভিনন্দন জনোৱাৰ বাবে বিশ্বৰ নেতাসকলক ধন্যবাদ জ্ঞাপন কৰিছে।

২। সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে নেতাগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে।

৩। ভাৰতীয় জনতা পাৰ্টিয়ে কংগ্ৰেছ দলে স্বাধীনতা দিৱসৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ বিৰোধিতা কৰা বুলি অভিযোগ তুলিছে।

৪। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই, ইউ জি চি-নেটৰ চলিত বৰ্ষৰ জুনত অনুষ্ঠিত পৰীক্ষাৰ ৮৪টা বিষয়ৰ বাবে অস্থায়ী উত্তৰসমূহ প্ৰদান কৰিছে।

আৰু

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত আজি এছ চি দিল্লী মণিপুৰৰ এফ চি ৰেংদাই আৰু ইষ্ট বেংগল এফ চি সেনাবাহিনীৰ ফুটবল দলৰ সন্মুখীন হ’ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অভিনন্দন জনোৱাৰ বাবে বিশ্বৰ নেতাসকলক ধন্যবাদ জ্ঞাপন কৰিছে। মালদ্বীপৰ ৰাষ্ট্ৰপতি ডঃ মহম্মদ মুইজ্জুক ধন্যবাদ জনাই সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে ভাৰত-মালদ্বীপৰ অংশীদাৰিত্ব অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে নেপালৰ ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পাওদেলক তেওঁৰ শুভেচ্ছাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ভাৰতে অনাগত বৰ্ষসমূহত নেপালৰ সৈতে নিজৰ বিশেষ অংশীদাৰিত্ব অধিক বৃদ্ধিৰ বাবে আগ্ৰহী বুলি তেওঁ উল্লেখ কৰে।

ইয়াৰ উপৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে শ্লভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলিগ্ৰিনিক ধন্যবাদ জনাই কয় যে ভাৰত-শ্লোভাকিয়াৰ অংশীদাৰিত্বক  দুয়োখন দেশৰ জনসাধাৰণৰ সুবিধাৰ্থে অধিক শক্তিশালী কৰাৰ বাবে ভাৰত আগ্ৰহী।

ৰাষ্ট্ৰপতিগৰাকীয়ে ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হাৰ্জোগকো ধন্যবাদ জ্ঞাপন কৰি ভাৰত আৰু ইজৰাইলৰ মাজত বন্ধুত্বৰ বান্ধোন অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

ভাৰতৰ স্বাধীনতা দিৱস উপলক্ষে শুভেচ্ছা জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ ৰাষ্ট্ৰপতি আইজাক হাৰ্জোগ আৰু প্ৰধানমন্ত্ৰী বেঞ্জামিন ন্যাতানেহুক ধন্যবাদ জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু ইজৰাইলৰ বন্ধুত্ব অতি গভীৰ। তেওঁ লগতে আশা প্ৰকাশ কৰে যে ভাৰত ইজৰাইলৰ বিশেষ কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী হৈ উঠিব, নতুন সুযোগ মুকলি হব আৰু দুয়োখন ৰাষ্ট্ৰৰ জনসাধাৰণৰ মাজত সম্পৰ্ক আৰু অধিক গভীৰ হৈ উঠিব।

০০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে নেতাগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। তিনিবাৰ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰা অটল বিহাৰী বাজপেয়ীয়ে ২০১৮ চনৰ আজিৰ দিনটোতে শেষনিশ্বাস ত্যাগ কৰিছিল। মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধি সদৈৱঃ অটলত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো পুন্যতিথি উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাষ্ট্ৰ সেৱাৰ প্ৰতি তেওঁৰ অটল নিষ্ঠা, একাগ্ৰতা, দূৰদৰ্শী নেতৃত্ব আৰু গণতান্ত্ৰিক মূল্যবোধে ভাৰতীয় ৰাজনীতিৰ ইতিহাসত অনন্য অধ্যায়ৰ সৃষ্টি কৰিছিল। মহান নেতাগৰাকীৰ চিন্তা, আদৰ্শ আৰু দেশপ্ৰেমে জনসাধাৰণক সদায় ৰাষ্ট্ৰৰ স্বাৰ্থত নিষ্ঠাৰে কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰি যাব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে কংগ্ৰেছ দলে স্বাধীনতা দিৱসৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ বিৰোধিতা কৰা বুলি অভিযোগ তুলিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত বিজেপিৰ মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰীয়ে কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত কালি স্বাধীনতা দিৱস উদযাপনৰ সময়ত জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে বন্দে মাতৰমৰ পৰিৱেশন বন্ধ কৰাৰ চেষ্টা চলাইছিল বুলি অভিযোগ কৰে। এনে কাৰ্যৰ জৰিয়তে কংগ্ৰেছে কেৱল ৰাষ্ট্ৰীয় গীতক অপমান কৰাই নহয় বৰঞ্চ দেশৰ জনসাধাৰণ আৰু সংবিধানক অপমান কৰা বুলি মুখপাত্ৰগৰাকীয়ে দাবী কৰে।

শ্ৰীভাণ্ডাৰীয়ে লগতে কংগ্ৰেছশাসিত কেৰালা চৰকাৰে কালি চৰকাৰী কাৰ্যসূচীত বন্দে মাতৰম পৰিৱেশনৰ বাবে কৰা ঘোষণা কাৰ্যকৰী নকৰা বুলি অভিযোগ তোলে। তেওঁ কয়, যে কেৰালা চৰকাৰে কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীৰ উদ্দেশ্যক আখৰে আখৰে পালন কৰে। বিজেপিৰ এনে অভিযোগক লৈ কংগ্ৰেছৰ মুখপাত্ৰ জয়ৰাম ৰমেশে দলৰ মুখ্য কাৰ্যালয়ত স্বাধীনতা দিৱস উদযাপনৰ সময়ত কালি ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম সম্পূৰ্ণৰূপে পৰিৱেশন কৰা হয় বুলি স্পষ্ট কৰি দিয়ে।

০০০০০০০

ভাৰতে অহা মঙলবাৰে নতুন দিল্লীত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ পৰিৱেশ মন্ত্ৰীসকলৰ দ্বাদশ বৈঠকৰ আয়োজন কৰিছে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই বৈঠকত অধ্যক্ষতা কৰিব। এই বৈঠকৰ মূল বিষয়বস্তু হৈছে— **স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাৰ বিকাশ**। ইয়াৰ পূৰ্বে কাইলৈ পৰিৱেশ কাৰ্যগোট আৰু জলবায়ু পৰিৱৰ্তন তথা বহনক্ষম উন্নয়ন বিষয়ক সম্পৰ্ক গোটৰ বিষয়ববীয়াসকলৰ বৈঠক অনুষ্ঠিত হ'ব। পৰিৱেশ আৰু বন মন্ত্ৰালয়ে এই বৈঠক ফলপ্ৰসূ আলোচনা, সহমত আৰু পৰিৱেশ সহযোগিতা সুদৃঢ় কৰাৰ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি আশা কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা— এন টি এই, ইউ জি চি নেটৰ চলিত বৰ্ষৰ জুনত অনুষ্ঠিত পৰীক্ষাৰ ৮৪টা বিষয়ৰ বাবে অস্থায়ী উত্তৰসমূহ প্ৰদান কৰিছে। প্ৰাৰ্থীসকলে ইউ জি চি নেট প'ৰ্টেলৰ জৰিয়তে ১৮ আগষ্টৰ ভিতৰত যিকোনো ভুল উত্তৰৰ ক্ষেত্ৰত আপত্তি দাখিল কৰিব পাৰিব। ইয়াৰ বাবে প্ৰতিটো প্ৰশ্নৰ বিপৰীতে ২০০ টকা মাচুল দিব লাগিব। এন টি এই উল্লেখ কৰা মতে প্ৰাৰ্থীসকলে প্ৰতিটো আপত্তিৰ সমৰ্থনৰ বাবে নথিভুক্ত প্ৰমাণ দিব লাগিব। ইউ জি চিৰ সংশ্লিষ্ট প'ৰ্টেলৰ পৰিৱৰ্তে আন কোনো মাধ্যমৰ জৰিয়তে কৰা আপত্তি গ্ৰহণযোগ্য নহ'ব। সংস্থাটোৱে জনোৱা মতে ইংৰাজী, বাণিজ্য আৰু সমাজ শাস্ত্ৰকে ধৰি বাকী থকা তিনিটা বিষয়ৰ প্ৰশ্নকাকতত থকা ত্ৰুটি সম্পৰ্কীয় অভিযোগ পৰীক্ষাৰ বাবে এখন সমিতি গঠন কৰা হৈছিল। এই সমিতিৰ পৰামৰ্শৰ ভিত্তিত এই তিনিটা বিষয়ক লৈ এখন পৃথক ৰাজহুৱা জাননী আজি জাৰি কৰা হ'ব বুলি এন টি এই প্ৰকাশ কৰিছে।

০০০০০০০

মহান সন্ত শ্ৰীৰামকৃষ্ণ পৰমহংসৰ মৃত্যু বাৰ্ষিকীত গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীশ্বাহে কয় যে আধুনিক ভাৰতৰ মহান চিন্তাবিদ আৰু মা কালীৰ নিষ্ঠাবান ভক্ত শ্ৰীৰামকৃষ্ণ পৰমহংসৰ ভাৰতীয় সনাতনী পৰম্পৰাৰ গভীৰ শক্তি আৰু আধ্যাত্মিক চেতনা প্ৰতিগৰাকী ব্যক্তিৰ মাজলৈ প্ৰবাহিত কৰিছিল। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে শ্ৰীৰামকৃষ্ণই ধৰ্মক কেৱল বিশ্বাসেই নহয়, সেৱা আৰু মানৱ কল্যানৰ মাধ্যমলৈ ৰূপান্তৰিত কৰিছিল। শ্ৰীশ্বাহে লগতে কয় যে তেওঁৰ উচ্চ চিন্তাধাৰা আৰু আদৰ্শই আমাৰ সমাজক চিৰদিন পথ প্ৰদৰ্শন কৰি থাকিব।

০০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান আজিৰে পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ বাৰ্ষিক গ্ৰীষ্মকালীন কাৰ্যসূচীৰ অংশ হিচাপে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত এমাহৰ বাবে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বিনামূলীয়াকৈ এই উদ্যান মুকলি ৰখা হ'ব। অৱশ্যে বিয়লি ৫ বজাৰ পাছত উদ্যানখনত প্ৰৱেশ বন্ধ কৰি দিয়া হ'ব। এই সময়ছোৱাত প্ৰতি সোমবাৰে উদ্যান বন্ধ ৰখা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে এই দুটা দিনত ক্ৰমে ক্ৰীড়াবিদ আৰু শিক্ষকসকললৈ উদ্যানত বিশেষ প্ৰৱেশৰ সুবিধা প্ৰদান কৰা হ'ব। উদ্যানত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে নৰ্থ এভিনিউ পথৰ সমীপত থকা ৩৫ নম্বৰ দ্বাৰ ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক বিবৃতিযোগে আহ্বান জনোৱা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে উদ্যান পৰিদৰ্শনৰ সময় আগতীয়াভাৱে পঞ্জীয়ন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কাইলৈ পৰ্যন্ত অৰুণাচল প্ৰদেশ, ওড়িশা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু উত্তৰাখণ্ডত প্ৰবল বৰষুণৰ আশংকা প্ৰতি লক্ষ্য ৰাখি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে লগতে অৰুণাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, কংকান, গোৱা, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন অংশত কাইলৈ পৰ্যন্ত ধাৰাসাৰ বৰষুণৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগে অন্ধ্ৰপ্ৰদেশ, তামিলনাডু, পুডুচেৰী, কাড়াইকাল, বিহাৰ, ঝাৰখণ্ড, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত অহা দুদিনলৈ ধুমুহা-গাজনিৰে প্ৰবল বৰষুণৰ আগলি বতৰা দিছে।

০০০০০০০

হাংগেৰীত আজি পুৰা ৰাষ্ট্ৰীয় ঘাইপথত এখন যাত্ৰীবাহী বাছ এটা খাৱৈত বাগৰি পৰাৰ ফলত ১২ জন লোক নিহত হোৱাৰ লগতে কেইবাজনো লোক আঘাটপ্ৰাপ্ত হয়। দুৰ্ঘটনাটো বুডাপেষ্টৰ পৰা ১৪০ কিলোমিটাৰ পূবত সংঘটিত হয়। বাছৰ চালকজনে টোপনিয়াই থকাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হৈছে বুলি আৰক্ষী সূত্ৰই সন্দেহ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত হাংগেৰীৰ প্ৰধানমন্ত্ৰী পিটাৰ মেগিয়াৰে কয়, যে এই দুৰ্ঘটনাটোত কমেও ১০ জন লোক আহত হৈছে। তেওঁ নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে ঘটনাস্থলীত উপস্থিত থকা উদ্ধাৰকৰ্মীসকলক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি ৰাঁচীৰ বীৰচা মুণ্ডা ফুটবল ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত এছ চি দিল্লী মণিপুৰৰ এফ চি ৰেংদাইৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৪ বজাত আৰম্ভ হ'ব। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত আজি সন্ধিয়া ৭ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত আই এছ এলৰ ছেম্পিয়ন ইষ্ট বেংগল এফ চি সেনাবাহিনীৰ ফুটবল দলৰ সন্মুখীন হ'ব। কাইলৈ হ'বলগীয়া তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত মোহন বাগান জামছেদপুৰ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। একেদিনাই সন্ধিয়া ৭ বজাত শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া চতুৰ্থখন কোৱাৰ্টাৰ ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি শ্বিলং লাজং এফ চিৰ সন্মুখীন হ'ব।

০০০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত কাইলৈৰ পৰা ২৩ আগষ্টলৈ বি ডব্লিঅ' এফ বিশ্ব ছেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ২০১৯ চনৰ পাছত ভাৰতে এই প্ৰতিযোগিতাখন দ্বিতীয়বাৰৰ বাবে আয়োজন কৰিছে। ২০১১ চনৰ পৰা প্ৰতিখন বিশ্ব ছেম্পিয়নশ্বিপতে ভাৰতৰ খেলুৱৈয়ে কমেও এটা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১১ টা সংস্কৰণত দেশে মুঠ ১৪ টা পদক লাভ কৰিছে।

পূৰ্বৰ বিশ্ব ছেম্পিয়ন পি ভি সিন্ধুৱে কাইলৈ অনুষ্ঠিত হ'বলগীয়া মহিলা ছিংগলছৰ প্ৰথমখন মেচত অৱতীৰ্ণ হ'ব। পুৰুষৰ ছিংগলছত লক্ষ্য সেনৰ পৰা উন্নত প্ৰদৰ্শন আশা কৰা হৈছে। ইফালে আয়ুষ ছেট্টীয়ে প্ৰথমখন মেচত বৰ্তমানৰ ছেম্পিয়ন চীনৰ চি ইউকিৰ মুখামুখি হ'ব। পুৰুষৰ ডাবলছৰ যুটী সত্তিক সাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ পৰা ভাৰতে পদক লাভ কৰিব বুলি আশা কৰা হৈছে। মহিলাৰ ডাবলছত ত্ৰিশা জলী আৰু গায়ত্ৰী গোপীচান্দে নেতৃত্ব দিয়াৰ বিপৰীতে মিক্সড ডাবলছত ধ্ৰুৱ কপিলা আৰু তানিশা ক্ৰাষ্টোৱে ভাৰতক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

সমাপ্ত